
# আমাজনৰ পৰা অসমলৈ কিমান দূৰ

মানস প্ৰতিম দত্ত





# আমাজনৰ পৰা অসমলৈ কিমান দূৰ

মানস প্ৰতিম দত্ত





# আমাজনৰ পৰা অসমলৈ কিমান দূৰ

মানস প্ৰতিম দত্ত

**প্ৰথম প্ৰকাশ:** লকডাউন, মে’ ২০২০

**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** হোমেন শইকীয়া

**ভিতৰৰ ফটো:** **ইন্টাৰনেট**

**মূল্য:** অমূল্য



আকৌ
ধোঁৱাৰ মাজেদি উৰি গ'ল চৰাইটো
জলাশয়টোত ককবকাই সেইটো কাৰ
মাত

**নীলমণি ফুকন**



## অৰ্পণ

পৃথিৱীৰ প্ৰতিটো চৰাইৰ চৰণত……

**আমাজনৰ পৰা অসমলৈ কিমান দূৰ-** এই কিতাপখনি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ লিখা হৈছে। প্ৰকৃতিৰ সৈতে থকা আমাৰ আত্মীয়তা আৰু বান্ধোনক চিনাকি কৰি দিয়াটোৱেই এই কিতাপখনৰ মূল লক্ষ্য। আপোনালোকৰ দিহা-পৰামৰ্শ একান্তই কামনা কৰিলোঁ।প্ৰথমে ই-বুক হিচাপে আপোনালোকলৈ এই কিতাপখন আগবঢ়াই দিলোঁ, ইতিবাচক সহাঁৰি পালে ছপাৰূপত প্ৰকাশৰ চিন্তা কৰিম।

**মানস প্ৰতিম দত্ত**

ফোন:৮৬৩৮৮৭১২১৬

৮৬৩৮৭০৮০৭৮




Soil

কাকত-আলোচনীৰ পাতত, বিশেষকৈ গ্ৰীষ্ম ঋতুৰ সময়ছোৱাত প্ৰতি বছৰে আলোচনাৰ মজিয়ালৈ অহা বিষয়টোৱেই হ'ল প্ৰকৃতি। প্ৰতি বছৰে তাপমাত্ৰাৰ অত্যাধিক বৃদ্ধিয়ে জলবায়ুক প্ৰভাৱিত কৰি আহিছে। ইয়াক কেন্দ্ৰ কৰি বিভিন্ন সময়ত বিজ্ঞানী আৰু প্ৰকৃতিবিদসকলে মানুহক দায়বদ্ধতা সোঁৱৰাইভথাকিবলগীয়া হোৱাটো অতিকৈ লজ্জাজনক কথা। বিগত সময়ছোৱাত চৰ্চা লাভ কৰা এটি অন্যতম বিষয় হ'ল গণ অৱলুপ্তিৰ ধাৰণাটো। আজিৰ পৰা কেইবছৰমান পূৰ্বে মাছাচুছেটছ ইনষ্টিটিউট অফ্ টেকন'লজি নামৰ সংস্থাটোৰ বিজ্ঞানীসকলে পৃথিৱীত গণঅৱলুপ্তি হ'ব বুলি অৱগত কৰিছিল । এই গণ অৱলুপ্তিয়ে জীৱকুলক নি:শেষ কৰাৰ লগতে পৃথিৱীৰ বিনন্দীয়া ৰূপ নাশ কৰিব বুলি সন্দেহ প্ৰকাশ কৰিছিল। সম্প্ৰতি আমাজন বৰ্ষাৰণ্যত সংঘটিত অনিবাৰ্পিত বনজুয়ে যেন ইয়াৰেই ইংগিত প্ৰদান কৰিছে। আমাজন বৰ্ষাৰণ্যই ব্ৰাজিলৰ সৰ্বাধিক অংশ (৫৮.৪%) আৱৰি থকাৰ উপৰিও পেৰু, গিয়ানা, বলভিয়া, কলম্বিয়া, ফ্ৰান্স গিয়ানা,ভেনিজুৱালা আদি দেশৰো একো একোটা অংশ আৱৰি আছে। পৃথিৱীৰ জীৱকুললৈ আমাজনেই ২০% অক্সিজেন উপহাৰ দিয়াৰ উপৰিও অকলে ৫% কাৰ্বন-ডাই-অক্সাইড গেছ অৱশোষণ কৰি লয়।



বৰ্ষাৰণ্য হ'ল এনে এক অৰণ য'ত গোটেই বছৰটোৰেই সেমেকা পৰিৱেশৰ মাজত থাকে। বৰ্ষাৰণ্যৰ দৰে এক স্থানত অনিবাৰ্পিত বনজুইৰ তাণ্ডৱ দেখি চিন্তিত হৈ পৰিছে বিশ্বৰ চিন্তিত মহল। আমাজনত প্ৰায় ত্ৰিশ হাজাৰ গছ-গছনি,পাঁচ শতাধিক সৰীসৃপ আৰু স্তন্যপায়ী প্ৰাণীৰ উপৰিও বিভিন্ন পোক-পতংগ, মৎস্য প্ৰজাতিয়ে বসবাস কৰে। আমাজানত আৰম্ভ কৰিব খোজা দ্ৰুত উদ্যোগীকৰণ , খাৰুৱা তেলৰ সন্ধান আৰু অন্যান্য কাৰণত এই বনজুইক প্ৰাকৃতিক বুলিব নোৱাৰি।



আমাজনৰ বনজুইয়ে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ জনগোষ্ঠীয় লোক-পৰম্পৰাৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। এই বনজুইক মানৱসৃষ্ট বুলিব খোজাৰ মূল কাৰণসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে, পুঁজিবাদৰ পৃষ্ঠপোষক চৰকাৰে আমাজনৰ বহু অংশত খাৰুৱা তেলৰ সন্ধান চলাবলৈ বহুজাতিক কোম্পানীক অনুমতি প্ৰদান কৰিছিল। যেতিয়াই কোনো দেশত একনায়কত্ববাদী শাসন আৰম্ভ হয়, তেতিয়াই সংকটৰ সন্মুখীন হয় প্ৰকৃতি।

ভাবুকি আহে সমাজ-সভ্যতা-সংস্কৃতিলৈ। বৰ্ষাৰণ্যৰ এই দুৰ্যোগৰ সময়ত মাৰ বান্ধি ঠিয় হৈছে বৰ্ষাৰণ্যৰ জনগোষ্ঠীসকল। তেনে এক জনগোষ্ঠী হ'ল ৱাঅ'ৰানি, হোআঅ'ৰানি নামৰ আমেৰিণ্ডিয়ানচ্ জনগোষ্ঠীটো। এই জনগোষ্ঠীয়ে বনভূমিত খাৰুৱা তেলৰ সন্ধানৰ বাবে বহুজাতিক কোম্পানীক গতাই দিয়াৰ বিৰোধিতা কৰি আদালতৰ দ্বাৰস্থ হয়। সুদীৰ্ঘ আইনী যুঁজৰ অন্তত জনগোষ্ঠীটো সপক্ষে আদালতে ৰায় প্ৰদান কৰে। এই ৰায়ৰ কেইদিনমানৰ পাছতেই (আগষ্ট,২০১৯) আমাজনক হঠাৎ বনজুয়েয়আগুৰি ধৰা কাৰ্যক প্ৰাকৃতিক বুলি গ্ৰহণ কৰিব পৰা নাই প্ৰকৃতিপ্ৰেমী সকলে। ইয়াৰ উপৰিও, এই ক্ষেত্ৰত জ্বলা জুইত ঘীউ ঢালিছে ব্ৰাজিলৰ ৰাষ্ট্ৰপতিয়ে। যি বনজুই নিয়ন্ত্ৰণত সবাতোকৈ বেছি সক্ৰিয় ভূমিকা ল'ব লাগিছিল, তেওঁ আজি আমাজনৰ কাষৰীয়া কৃষক শ্ৰেণীক আমাজনৰ ভূমিক কৃষিক্ষেত্ৰ হীচাপে গ্ৰহণ কৰিবলৈ উচতনি দিছে। অদ্ভুট যুক্তি দি কৈছে যে পৃথিৱীৰ সুৰক্ষাৰ দায়িত্ব কেৱল ব্ৰাজিলৰ নহয়। ব্ৰাজিলক সুৰক্ষা দিব পৰাকৈ অৰণ্যাঞ্চল আজিও আছে, গতিকে অন্যান্য দেশসমূহে ব্ৰাজিলৰ কথাত মূৰ নঘমাই নিজ দেশৰ প্ৰাকৃতিক সম্পদৰ সংবৰ্ধনৰ কথা চিন্তা কৰাহে উচিত। ৰাষ্ট্ৰপতি জেইৰ ব'লছ'নাৰ'-এ আকৌ কৈছে, "The North American cavarly were the competent ones because they decimated their indigenous people in the ppast and today, they donot have this problem in their country." ৰাষ্ট্ৰপতিৰ এনোবোৰ মন্তব্যই সমগ্ৰ বিষয়টোক ৰহস্যঘন কৰি তুলিছে।



আমাজনৰ দৰেই ক্ৰমান্বয়ে অসমৰ লগতে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতো বনজ সম্পদৰ প্ৰতি কৰি অহা নৃশংসতা আমি চকুৰ সন্মুখত দেখি আহিছো। টাইমছ অফ ইণ্ডিয়াৰ এটা প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি ভাৰতবৰ্ষত উন্নয়ন আৰু ঔদ্যোগীকৰণৰ নামত প্ৰতি বছৰে প্ৰায় শতকৰা ৮০ ভাগ গছ-গছনি ধ্বংস কৰি আহিছে। যোৱা ৩৫ বছৰত ভাৰতবৰ্ষই ২৩,৭১৬টা প্ৰকল্পৰ নামত প্ৰায় সমগ্ৰ হাৰিয়ানা ৰাজ্যসম অৰণ্য হেৰুৱাইছে। উন্নয়ন আৰু ঔদ্যোগীকৰণৰ নামত হোৱা এনে অৱক্ষয় কেতিয়াও মানি ল'ব নোৱাৰি। বহুসময়ত এনেকুৱাও হৈছে যে , চৰকাৰী আঁচনিৰ নামত আৱন্টিত গছ-পুলি ৰোপনৰ বাবে কোনো কাৰণ নোহোৱাকৈ সেই ঠাইৰ অন্য গছ-গছনি কাটি পেলোৱা হৈছে। ইয়াৰ বাদেও, গছপুলি ৰোপনৰ বাবে কেৱল গ্ৰীষ্ম কালতহে প্ৰকৃতি প্ৰেম জাগ্ৰত হোৱা কাণ্ডটোও ভাবিবলগীয়া।



অসমত পৰিৱেশ সচেতনতা আৰু লোক-জীৱনৰ সৈতে ইয়াৰ সম্পৰ্ক অতি সুদৃঢ়। এই সম্পৰ্কে ধাৰণা দিবলৈ গৈ ড০ নৱ কুমাৰ চমুৱাই অসমৰ সেউজ সংৰক্ষণ চেতনা আৰু সাহিত্য নামৰ গ্ৰন্থখনত লিখিছে- অসমৰ

জাতীয় জীৱনত পৰিৱেশ সচেতন গুণ মনকৰিবলগীয়া। অসমৰ প্ৰায়সমূহ উৎসৱেই প্ৰকৃতিৰ সৈতে সম্পৰ্কিত হোৱা বাবে পৰোক্ষভাৱে হ'লেও ই প্ৰকৃতি সংৰক্ষণ চেতনা বৰ্তাই ৰাখিছে। এই সম্পৰ্কে তেওঁ ৰাভা জনগোষ্ঠীৰ উদ্ধৃতি দি লিখিছে, ' ...অসমৰ ৰাভা জনগোষ্ঠীৰ লোকসকলে বিশেষত: প্ৰত্যেক পৰিয়ালেই একো একোটা প্ৰজাতিৰ বন্যপ্ৰাণীক তেওঁলোকৰ বংশধৰ হিচাপে বিশ্বাস কৰে আৰু সেই প্ৰজাতিৰ প্ৰাণী হত্যা বা মাংস ভক্ষণ নকৰে।' অসমত পৰিৱেশ আন্দোলনৰ প্ৰথম সু-ফল আছিল চক্ৰশিলাই অভয়াৰণ্য হিচাপে স্বীকৃতি পোৱাৰ লগতে সোণালী বান্দৰ সংৰক্ষণ প্ৰক্ৰিয়াই স্বীকৃতি লাভ কৰাটো। অসমত পৰিৱেশ সচেতনতা বৃদ্ধিৰ বাবে আয়োজন কৰা বিভিন্ন সজাগতা সভা, প্ৰকৃতি শিবিৰ আদিয়ে বিশেষ ভূমিকা পালন কৰে। অসমৰ প্ৰকৃতি সুৰক্ষাতো প্ৰকৃতিপ্ৰেমী সংগঠনৰ ভূমিকা আৰু কাৰ্যপ্ৰণালী অতিশয় গুৰুত্বপূৰ্ণ । অসমৰ পৰিৱেশ সংৰক্ষণ আন্দোলনক গণমুখী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা সংগঠন সমূহৰ ভিতৰত আছাম ভেলী ৱাইল্ড লাইফ চচাইটি, কাজিৰঙা ৱাইল্ড লাইফ চচাইটি, নেচাৰ্চ বেকন, আৰণ্যক প্ৰাকৃতিক সংঘ, আৰ্লি বাৰ্ডছ, মেগামিক্স প্ৰকৃতি সংঘ, নেচাৰ্চ ফষ্টাৰ আদি অন্যতম।



অসমৰ বৰ্ষাৰণ্য আন্দোনৰ ইতিহাসৰ সংগ্ৰামী পৃষ্ঠা লুটিয়াই চালে গম পাওঁ যে বৰ্ষাৰণ্যসমূহত থকা প্ৰচুৰ পৰিমাণৰ কাঠ, অৰ্কিড, বনৌষধি , বন্যপ্ৰাণী আদিৰ পৰা আৰ্থিক লাভৰ আশাতেই এচামে চলাই আহিছিল ৰমৰমীয়া চোৰাং বেহা। অসমত বৰ্ষাৰণ্য আন্দোলনত প্ৰথম নেতৃত্ব প্ৰদান কৰিছিল নেচাৰ্চ বেকনে। প্ৰায় দহবছৰযোৰা সংগ্ৰামৰ ফলশ্ৰুতিত দিহিং-পাটকায়ে পাইছিল অভয়াৰণ্যৰ স্বীকৃতি।



এই সংগ্ৰামৰ সময়ছোৱাত বহু ৰাজনৈতিক হেঁচা , দুষ্ট চক্ৰৰ  বাধা অতিক্ৰম কৰিবলগীয়া হৈছিল। ৰেডিঅ' আৰু কাকতযোগে আৰম্ভ কৰা হৈছিল সজাগতা অভিযান। আয়োজন কৰা হৈছিল বৰ্ষাৰণ্য বিষয়ক অনুষ্ঠানৰ। লাহে লাহে সজাগ হৈছিল গাঁওবাসী। দাঁতিকাষৰীয়া গাঁওবাসীৰ অকুণ্ঠ সহযোগত এই আন্দোলন হৈ পৰিছিল গণমুখী। নেচাৰ্চ বেকনে ইতিমধ্যে জয়পুৰ-দিৰকআৰু আপাৰ দিহিঙৰ ৫০০ বৰ্গ কি:মি: অঞ্চলক জয়দিহিং অভয়াৰণ্য হিচাপে স্বীকৃতি দিবলৈ দাবী জনাইছিল যদিও ই আজিকোপতি স্বীকৃতি লাভ কৰা নাই । ইয়াৰ উপৰিও ধেমাজি জিলাৰ জোনাইত অৱস্থিত পবা বৰ্ষাৰণ্যক অভয়াৰণ্য হিচাপে স্বীকৃতি দিবলৈ জনোৱা দাবীও আজি দাবী হৈয়ে আছে। ইছৰ'ৰ জৰীপ অনুসৰি ১৯৮৮-৮৯ চনত

অসমত থকা ২১.৯৮% বনাঞ্চল ধ্বংসৰ কৱলত পৰি ২০০৬ চনত ২১.০২% হৈছিলগৈ। ইয়াৰ উপৰিও বহু সময়ত কৃষি ভূমি চৰকাৰে কৰ্পৰেট গোষ্ঠীক গতাই দিয়াৰ ফলত উপায়হীন হৈ কৃষকে বনাঞ্চল ধ্বংসৰ দৰে অসাংবিধানিক কাম কৰিবলৈয়ো ভয় নকৰা হৈছে। চাহ-বাগান গঢ়াৰ নামত বন ধ্বংসৰ বাতৰিও বিভিন্ন সময়ত পঢ়িবলৈ পোৱা গৈছে।




বৰ্ষাৰণ্যসমূহ সুৰক্ষিত কৰি তুলিবলৈ ইয়াক অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়াটো জৰুৰী। কিয়নো এই স্বীকৃতি লাভ নকৰাৰ হেতু বৰ্ষাৰণ্যসমূহে হেৰুৱায় লগা হৈছে বৃহৎ পৰিমাণৰ অৰ্কিড, ৰেইন ট্ৰী আৰু আন্যান্য সমল। সেয়েহে বৰ্ষাৰণ্যসমূহক অভয়াৰণ্য হিচাপে ঘোষণা কৰিবলৈ কৰ্তৃপক্ষক বাধ্য কৰিবৰ বাবে জনসাধাৰণ আগবাঢ়ি নাহিলে আমাজনৰ দৰেই সমস্যা অসমতো উদ্ভৱ নহ'ব বুলি ক'ব নোৱাৰি। ইতিমধ্যে বৃহৎ সংখ্যক জলাশয়, আদ্ৰভূমি, নদীৰ অপমৃত্যু ঘটা আমি চকুৰ আগতেই দেখা পাইছো। খৰাং পৰিস্থিতি আৰু অন্যান্য কাৰণত অসমৰ বনভূমিত দেখাপোৱা বনৌষধিৰ পৰিমাণো হ্ৰাস পাই আহিছে। গতিকে বৰ্ষাৰণ্য আৰু অন্যান্য অৰণ্য সুৰক্ষাৰ বাবে আমি একগোট হৈ উলাই অহাৰ উপৰিও ক্ষুদ্ৰ বনাঞ্চল সৃষ্টীৰ কথাও চিন্তা কৰাৰ সময় সমাগত। অন্যথা আমাজনৰ দৰে, ভয়ংকৰ পৰিস্থিতি, তাপমানৰ অত্যাধিক বৃদ্ধিয়ে মানুহক কোঙা কৰি পেলোৱাৰ উপৰিও গণ অৱলুপ্তিৰ দিশেলৈ যে আগবঢ়াই নিব সেয়া ধ্ৰুপ।


SAVE
RAINFORESTS